## শৰৎচন্দ্ৰ গোস্বামীৰ নিৰ্বাচিত গল্প ঃ

শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰেমৰ গল্প কেইটাৰ ভিতৰত 'দেখা দেখি' উল্লেখযোগ্য। বাঁহীৰ দ্বিতীয় বছৰ তৃতীয় সংখ্যাত প্ৰকাশিত 'দেখা দেখি' গল্পৰ ৰচনাৰ সময়ছোৱা অসমীয়া সাহিত্যৰ ৰোমাণ্টিক বন্যা বোৱাৰ সময়। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ যুগটোত প্ৰেমৰ গল্পই বেছ জনপ্ৰিয়তা আৰ্জন কৰিছিল। নায়ক ধৰণী আৰু নায়িকা পাৰ্বতীৰ প্ৰণয় কথাই 'দেখা দেখি' গল্পৰ বিষয়-বস্তু। অসমীয়া সাহিত্যৰ আদি ৰোমাণ্টিক যুগৰ সৰহভাগ প্ৰেমৰ গল্পৰ নায়ক-নায়িকাৰ মিলনৰ প্ৰধান দ্বন্দ্বৰূপে দেখা দিছে জাতিভেদৰ বৈষম্যই। 'দেখা দেখি' গল্পৰ নায়ক-নায়িকাৰ মিলনৰ পথতো প্ৰতিবন্ধন সৃষ্টি হৈছে নায়ক-নায়িকাৰ ভিন্ন জাতৰ বাবে। নায়ক ধৰণী কোঁচ আৰু নায়িকা পাৰ্বতী কায়স্থ হোৱাৰ বাবেই ধৰণী আৰু পাৰ্বতীৰ মিলন প্ৰতিহত হ'ল। অৱশ্যে জাতিভেদৰ দৰে সামাজিক কুসংস্কাৰৰ বাবেহে যে ধৰণী আৰু পাৰ্বতীৰ মিলন সম্ভৱ হৈ নুঠিল, এইযাৰ কথা গল্পটোত বৰ স্পষ্ট নহয়। কেৱল মাথোন পাৰ্বতীৰ পিতৃৰ মানসিক প্ৰতিক্ৰিয়াৰ মাজেদিহে জাতিভেদে সৃষ্টি কৰা অন্তৰায়ৰ আভাস এটা দিবলৈ যত্ন কৰা হৈছে। এই ক্ষেত্ৰত গল্পটোত পাৰ্বতীৰ পিতৃৰ চৰিত্ৰটোৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ প্ৰয়োজন আছিল।

'দেখা দেখি' গল্পৰ বিষয়-বস্তু (theme) সবল নহয়। নায়ক ধৰণী আৰু নায়িকা পাৰ্বতীৰ প্ৰণয় কথাই গল্পটোৰ বিষয়-বস্তু যদিও প্ৰণয়ৰ মাধুৰ্য আৰু বিৰহ কোনোটো অনুভূতিয়ে গভীৰতা লাভ কৰিব নোৱাৰিলে। বিষয়-বস্তুটোক গল্পৰ উপযোগীকৈ সজোৱাৰ থল আছিল। কিন্তু অনৰ্থক দীঘলীয়া সময়ৰ পটভূমি এটা

গ্ৰহণ কৰাৰ বাবেই গল্পটোৰ বিষয়-বস্তু দুৰ্বল হ'বলৈ বাধ্য হ'ল।

ভাব-বস্তুৰ দিশতো গল্পটো বহু পৰিমাণে অস্পষ্ট। প্ৰথম অৱস্থাত নায়ক-নায়িকাৰ প্ৰণয়ৰ সূত্ৰপাত আৰু নায়ক-নায়িকা ভিন্ন জাতৰ বাবেই মিলনত প্ৰতিবন্ধন সৃষ্টি হোৱাটোৱেই গল্পটোৰ প্ৰধান বক্তব্য যেন অনুমান হয়। কিন্তু গল্পটোৰ শেহৰ ফালে এই ধাৰণাটোও অস্পষ্ট হৈ পৰে। গল্পটোৰ নামকৰণতহে ভাব-বস্তুৰ আভাস এটা পাব পাৰি। নায়ক-নায়িকাৰ দেখা-দেখিত হঠাৎ প্ৰণয়ৰ অনুভূতিৰ উদ্ৰেক হৈছে। সেইদৰে দুই বন্ধু নবীন আৰু ধৰণীৰ মাজত বহুদিন দেখা-দেখি নোহোৱাত ব্যাকুলতা, বহু বছৰৰ অন্তত দুই বন্ধুৰ দেখা-দেখিত হৃদয়ানুভূতিৰ প্ৰাবল্য আৰু বহু বছৰৰ অন্তত নায়ক-নায়িকাৰ পুনৰ দেখা-দেখিত বিৰহ যন্ত্ৰণাত কাতৰ হোৱা অৱস্থাটোৱেই গল্পটোৰ ভাব-বস্তু নিৰ্মাণ কৰিছে।

চৰিত্ৰৰ দিশত 'দেখা দেখি' গল্পটো কিছু পৰিমাণে সফল বুলিব পৰা যায়। নবীন, ধৰণী আৰু পাৰ্বতীৰ চৰিত্ৰই গল্পটোত সক্ৰিয় ভূমিকা লৈছে। সঘন সান্নিধ্যই মানুহক আৱেগিকভাৱে প্ৰেমৰ বান্ধোনত বান্ধ খুৱায় আৰু সময়ৰ সোঁতত মানুহ যেতিয়া আঁতৰি যায় তেতিয়াই পূৰ্বৰ আৱেগিক প্ৰেমৰ উত্তাপো নাইকিয়া হৈ পৰে। এনে ধৰণৰ মনস্তাত্ত্বিক সত্য প্ৰকাশ পাইছে সহপাঠী বন্ধু নবীন আৰু ধৰণী চৰিত্ৰৰ মাজেদি। সেইদৰে সমাজৰ যুক্তিহীন সংস্কাৰ আৰু কঠোৰ নিয়তিৰ কবলত পৰি মানুহে কিদৰে জীৱনক যন্ত্ৰণাজৰ্জৰ কৰি তুলিব লগা হয়, তাৰ সাক্ষ্য বহন কৰিছে পাৰ্বতীয়ে। চুটি গল্পৰ চৰিত্ৰ হিচাপে জীৱনৰ খণ্ডিত প্ৰকাশৰ মাজেদি ব্যক্তি জীৱনৰ কাৰুণ্য আৰু কেতবোৰ মৌলিক সত্যক প্ৰকাশ কৰিব পৰা বাবেই গল্পটোৰ চৰিত্ৰকেইটাৰ সফলতা মানি ল'ব লাগিব।

'দেখা দেখি' গল্পৰ ভাষাৰ সাৱলীলতা, চিত্ৰধৰ্মী বৰ্ণনা আৰু বৰ্ণনাৰ সংযম লক্ষণীয় বৈশিষ্ট্য। তদুপৰি শিল্পমূল্যৰ দিশত নিখুঁত নহয় যদিও কেন্দ্ৰীয় ভাবৰ ঐক্য, তীব্ৰ গতিসঞ্চাৰী ভাষা আৰু পৰিণতিমুখী উৎকণ্ঠাৰ বাবেই 'দেখা দেখি' গল্পটো সুখপাঠ্য হৈ উঠিছে।

শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰেমৰ গল্পসমূহৰ ভিতৰত "নদৰাম" গল্পৰ এটা বিশেষ মূল্য আছে। গল্পটোৰ আৰম্ভণি যিদৰে নাটকীয়; সামৰণিও সেইদৰে নাটকীয়। গল্পটোৰ বিষয়-বস্তু ৰূপায়ণৰ দিশতো গোস্বামীৰ আন বহুবোৰ গল্পৰ তুলনাত নদৰাম উন্নতমানৰ গল্প।

'নদৰাম' গল্পৰ আটাইতকৈ আকৰ্ষণীয় দিশটোৱেই হ'ল নাম ভূমিকাৰ চৰিত্ৰটোৰ চাৰিত্ৰিক বৈচিত্ৰ্য প্ৰকাশ। সৈনিক হিচাপে দেশৰ বাহিৰত থাকোঁতেই নদৰামৰ ঘৈণীয়েকে চুবুৰীয়া ভাটিৰামলৈ গুচি গ'ল। বহু বছৰৰ মূৰত ঘৰলৈ আহি